**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-09-2026

**Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***Headlines***

***000000***

১। যমুনা নদীক পুনৰুজ্জীৱিত কৰি তোলাৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত আজি ছখন ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এখন চুক্তিত স্বাক্ষৰ কৰে।

২। শিক্ষা প্ৰতিষ্ঠান আৰু বিভিন্ন উদ্যোগৰ মাজত সহযোগিতাৰে কাম কৰি প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাত গুৰুত্ব দিয়া উচিত বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

৩। চৰকাৰী কৰ্যালয়সমূহত সম্পূৰ্ণৰূপে স্বচ্ছতাক প্ৰাতিষ্ঠানিক ৰূপ দিয়াৰ লক্ষ্যৰে অহা ২ অক্টোবৰৰ পৰা **বিশেষ অভিযান ৬** অনুষ্ঠিত হ'ব।

৪। ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ বাবে ক্ৰীড়াৰ দিশত কাম কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাড়ছেই মন্তব্য কৰিছে। ***আৰু***

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০

যমুনা নদীক পুনৰুজ্জীৱিত কৰি তোলাৰ উদ্দেশ্যেৰে আজি উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, হাৰিয়ানা, ৰাজস্থান আৰু দিল্লীৰ মুখ্যমন্ত্ৰীসকলে কিছুাও বহুমুখী বান্ধ প্ৰকল্পৰ এখন চুক্তিত স্বাক্ষৰ কৰে। নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত এই চুক্তিখন স্বাক্ষৰিত হয়। এই অনুষ্ঠানত শ্ৰীশ্বাহে কয় যে এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে দেশৰ বুৰঞ্জীত ই এক উল্লেখযোগ্য পৰিঘটনা হিচাপে জিলিকি ৰ'ব। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে কিছুাও প্ৰকল্পক ৰাষ্ট্ৰীয় প্ৰকল্প হিচাপে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে এই প্ৰকল্পত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা ৯০ শতাংশ বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব আৰু চুক্তিত অংশগ্ৰহণ কৰা ৰাজ্যসমূহৰ তৰফৰ পৰা বাকী থকা ১০ শতাংশ ব্যয় বহন কৰা হ'ব। শ্ৰীশ্বাহে কয় যে ৰেখা গুপ্তাই দিল্লীৰ মুখ্যমন্ত্ৰী ৰূপে দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰা যমুনা নদী পৰিস্কাৰ কৰাৰ বাবে অবিৰতভাৱে কাম কৰি অহা হৈছে। তেওঁ লগতে কয় যে নৰেন্দ্ৰ মোদী দেশৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছৰে পৰা এয়া বৰ্তমান দশম বাৰলৈ জলবিবাদ নিষ্পত্তিৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে ২০১৮ চনৰ আগষ্টত লাখ্ৱাৰ বহুমুখী প্ৰকল্পৰ বিবাদ নিষ্পত্তি কৰা হৈছিল। এই অনুষ্ঠানত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ লগতে কেন্দ্ৰীয় গৃহ সচিব, জলসম্পদ বিভাগৰ কেন্দ্ৰীয় সচিব আৰু ছখন ৰাজ্যৰ মুখ্য সচিবসকল উপস্থিত থাকে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয় যে শিক্ষা প্ৰতিষ্ঠান আৰু বিভিন্ন উদ্যোগৰ মাজত প্ৰতিৰক্ষা শক্তি, গৱেষণা আৰু বিকাশৰ দিশত সহযোগিতাৰে কাম কৰি প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হোৱাৰ

ওপৰত গুৰুত্ব দিয়া উচিত। তেওঁ কয় যে আলোচনা, সমবিকাশ আৰু সম-উৎপাদনৰ জৰিয়তে ভাৰতৰ প্ৰযুক্তিৰ দিশত আগবাঢ়িব পৰা যায় আৰু এটা উৎকৃষ্ট মানৰ পৰিবেশতন্ত্ৰ গঢ়ি তুলিব পৰা যায়। নতুন দিল্লীত আয়োজিত ডি আৰ ডি অ' উদ্যোগ সমন্বয় সন্মিলন বিমৰ্ষ, ২০২৬-ত দিয়া ভাষণত শ্ৰী সিঙে কয়, যে বিগত কিছু বছৰত ক্ষেপনাস্ত্ৰৰ পৰা ৰাডাৰলৈকে যুদ্ধ বিমানৰ পৰা ছাবমেৰিনলৈকে, বৈদ্যুতিন যুদ্ধ আহিলা নিৰ্মাণৰ পৰা কৃত্ৰিম বুদ্ধিমত্তালৈকে প্ৰতিটো ক্ষেত্ৰতে ডি আৰ ডি অ'ই ইয়াৰ সামৰ্থ্য প্ৰতিপন্ন কৰিছে।

বাইট (ৰাজনাথ)

প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে বিগত কেইবাটাও বছৰত ভাৰতে প্ৰতিৰক্ষা খণ্ডত যথেষ্ট আগবাঢ়ি গৈছে আৰু বহুকেইটা উল্লেখযোগ্য সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছে। এইসমূহৰ ভিতৰত স্থানীয় নিৰ্মাণ, মেক ইন ইণ্ডিয়া পদক্ষেপ, আইডেক্স, অডিটিৰ লগতে প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডত কৰা বিনিয়োগ ২৫ শতাংশলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ জৰিয়তে দেশ আত্মনিৰ্ভৰশীলতাৰ দিশে গতি কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে দেশৰ অৰ্থনীতিত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে বুলি শ্ৰীসিঙে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে এই উদ্যোগসমূহে উচ্চ গুণাগুণ ৰক্ষাৰ লগতে বিতৰণ, উদ্ভাৱন আৰু গোলকীয় মান ৰক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব।

সম্প্ৰতি প্ৰতিৰক্ষা ক্ষেত্ৰত গৱেষণাৰ বাবে ডি আৰ ডি অ' শীৰ্ষ সংস্থা হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰতিৰক্ষা খণ্ডত গৱেষণা আৰু বিকাশৰ বাবে কেৱল চৰকাৰ আৰু ডি আৰ ডি অ'ৰ প্ৰচেষ্টাই পৰ্যাপ্ত নহয়, এইক্ষেত্ৰত সমন্বিত প্ৰচেষ্টা তথা অংশীদাৰিত্বৰ প্ৰয়োজন আৰু এই বাৰ্তাটোৱে বিমৰ্ষ, ২০২৬-ৰ মূল বাৰ্তা হোৱা উচিত।

০০০০

মধ্য প্ৰদেশৰ মাণ্ডালাৰ কানহা ব্যাঘ্ৰ সংৰক্ষণ প্ৰকল্পৰ ছুপখাৰ সংমণ্ডলত আজিৰে পৰা ছদিনীয়াকৈ বাৰ্ষিক হস্তী শিবিৰ মুকলি কৰা হৈছে। এই শিবিৰৰ অহা ২০ ছেপ্তেম্বৰত সামৰণি পৰিব। শিবিৰৰ সময়ছোৱাত হাতীক পৰ্যাপ্ত পৰিমাণে বিশ্ৰাম দিয়াৰ ব্যৱস্থা কৰাৰ লগতে দৈনন্দিন পৰিশ্ৰমৰ পৰা ৰেহাই দিয়া হ'ব। তদুপৰি হাতীক গা-ধুওৱা, মালিচ দিয়াৰ লগতে পুষ্টিকৰ খাদ্যৰো যোগান ধৰা হ'ব। বন্যপ্ৰাণী চিকিৎসকলে হাতীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে তেজ আৰু প্ৰস্ৰাৱ-পায়খানাৰ নমুনা পৰীক্ষাৰ বাবে পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিব। কানহা হস্তী সংৰক্ষণ প্ৰকল্পত বৰ্তমানলৈ ১৬ টা হাতী আছে। ইয়াৰে ৯ টা মতা আৰু এটা সদ্যজাত আৰু ছজনী মাইকী হাতী আছে। এই হাতীসমূহক বন্যপ্ৰাণী সংৰক্ষণৰ সৈতে জড়িত কাম-কাজত ব্যৱহাৰ কৰা হয়। হাতীৰ মাউত আৰু গৰাকীসকলৰ প্ৰশিক্ষণেৰে এই শিবিৰৰ অন্ত পৰিব। জ্যেষ্ঠ আৰু অভিজ্ঞ মাউতসকলে হাতীৰ পৰিচৰ্যা সন্দৰ্ভত প্ৰশিক্ষণ দিব।

০০০০

চৰকাৰী কাৰ্যালয়সমূহত সম্পূৰ্ণভাৱে 'স্বচ্ছতা'ক প্ৰাতিষ্ঠানিক ৰূপ দিয়াৰ লক্ষ্যৰে অহা ২ অক্টোবৰৰ পৰা 'বিশেষ অভিযান ৬' অনুষ্ঠিত হ'ব। অহা ৩১ অক্টোবৰলৈকে এই অভিযান চলিব। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন বিভাগৰ মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙে কাইলৈ নতুন দিল্লীত এই অভিযানৰ অগ্ৰগতি নিৰীক্ষণৰ বাবে এটা বিশেষ ৱেব-পৰ্টেল মুকলি কৰিব। 'বিশেষ অভিযান ৬'-এ নাগৰিক-কেন্দ্ৰিক কামকাজ, অন্তৰ্ভুক্তিকৰণ আদি

অনুশীলনীসমূহ সুদৃঢ় কৰাৰ লগতে ই-আৱৰ্জনা কাৰ্যকৰীভাৱে সংগ্ৰহ, পৃথকীকৰণ আৰু নিষ্কাশনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নোৱাখাই উৎসৱ উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে, এই উৎসৱে কৃষক, শস্য চপোৱা আৰু একতাৰ চেতনাক উদযাপন কৰে। প্ৰধানমন্ত্ৰী গৰাকীয়ে কয় যে, এই উৎসৱে সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰাৰ লগতে সমাজলৈ সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনিব।

০০০০

ত্ৰিপুৰাৰ মূখ্যমন্ত্ৰী ড° মানিক সাহাই কৈছে যে, অভিযান্ত্ৰিক কেৱল এটা বৃত্তিয়েই নহয়, বৰং ই হৈছে উন্নয়নৰ বাবে জনসাধাৰণৰ অক্লান্ত প্ৰয়াস আৰু ত্যাগ। ৫৯ সংখ্যক অভিযন্তা দিৱস উপলক্ষে আগৰতলাৰ প্ৰজ্ঞা ভৱনত আজি লোক নিৰ্মাণ বিভাগ আৰু অভিযন্তা প্ৰতিষ্ঠানৰ যুটীয়া উদ্যোগত আয়োজিত এটা কাৰ্যসূচীত ভাষণ দি তেওঁ অভিযন্তা সকলক দেশৰ মেৰুদণ্ড বুলি অভিহিত কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্য চৰকাৰৰ আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু উন্নয়নমূলক পৰিকল্পনাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত অভিযন্তাসকলে গুৰুত্বপুৰ্ণ ভূমিকা পালন কৰে। ২০৪৭ চনৰ ভিতৰত বিকশিত ত্ৰিপুৰা গঢ় দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ অবদান অপৰিহাৰ্য বুলি তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ পূৰ্বাঞ্চলৰ পৰিবৰ্তন সন্দৰ্ভত আলোকপাত কৰি তেওঁ কয় যে,অঞ্চলটোৰ বিকাশত Act East নীতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। আজিৰ এই কাৰ্যসূচীত মুখ্য সচিব জে কে সিনহা, লোক - নিৰ্মাণ বিভাগৰ সচিব কিৰণ গিট্টে, আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব অভিষেক সিঙো উপস্থিত থাকে।

০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰক্ষা নিখিল খাড়ছেই কয় যে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ বাবে ক্ৰীড়াৰ দিশত কাম কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। তিনি-দিনীয়া ভ্ৰমণসূচীৰে আজি মিজোৰামৰ আইজলত উপস্থিত হোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ কাৰ্যালয় ভ্ৰমণ কৰি মিজোৰামৰ ক্ৰীড়া মন্ত্ৰী লাংগিং প্লোভা মাৰ, ক্ৰীড়া বিভাগৰ বহুকেইগৰাকী বিষয়া আৰু কেইবাটাও ক্ৰীড়া সংস্থাৰ প্ৰতিনিধিক সাক্ষাৎ কৰে। আকাশবাণীৰ সৈতে হোৱা এটা বিশেষ সাক্ষাৎকাৰত মন্ত্ৰী খাড়ছেই কয় যে বিকশিত ভাৰত ২০৪৭ৰ পদক্ষেপত উপনীত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ক্ৰীড়াক বিভিন্ন ধৰণেৰে আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। সংবাদদাতাক তেওঁ উল্লেখ কৰা মতে শিক্ষাৰ সৈতে ক্ৰীড়াই যাতে সমানেই গুৰুত্ব প্ৰদান কৰে তাৰ বাবে যুৱ কাণেক্ট নামৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ক্ৰীড়াৰ

বিভিন্ন ক্ষেত্ৰত মিজোৰামে সুন্দৰ প্ৰদৰ্শন আগবঢ়াই আহিছে। ইয়াৰ জৰিয়তে যুৱ প্ৰতিভা সদায়েই আগবঢ়াই অনাৰ প্ৰয়াস কৰা হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ **ছাইটুৱাল আৰু কলাছিৱ** জিলা দুখন ভ্ৰমণ কৰি বিভিন্ন ক্ৰীড়া সংস্থাৰ প্ৰতিনিধিসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু চৰকাৰখনৰ পৰা সহায়-সহযোগিতা আগবঢ়াব বুলি অঞ্চলসমূহ বাছি উলিওৱা হ'ব বুলি জানিবলৈ দিয়ে। খাড়ছেই কয় যে দেশৰ যুৱ প্ৰজন্মই হৈছে দেশৰ উন্নতিৰ মূল ভেটি আৰু সেয়েহে চৰকাৰে এই প্ৰজন্মক অগ্ৰাধিকাৰ দি আহিছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে খেলো ইণ্ডিয়াৰ জৰিয়তে ২০১৪ বৰ্ষৰ পৰাই ভাৰতত ক্ৰীড়াক আগবঢ়াই নিয়াৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰ ফলস্বৰূপে দেশত বহুকেইগৰাকী সফল খেলুৱৈ সৃষ্টি হোৱাৰ লগতে লগতে ভিতৰুৱা অঞ্চলত বসবাস কৰি থকা প্ৰতিভাসম্পন্ন ল'ৰা-ছোৱালীক চিনাক্ত কৰিব পৰা গৈছে। মহিলা খেলুৱৈসকলৰ প্ৰতিভাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই দিশত বহুখিনি কৰা হৈছে যদিও এতিয়াও বহুখিনি কৰণীয় আছে।

০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। শৃংখলাটোৰ তৃতীয়খন খেল পৰহিলৈ একেখন ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত